**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। শাৰদীয় দুৰ্গোৎসৱৰ আজি বিজয়া দশমী। এই উপলক্ষে গুৱাহাটী মহানগৰ যানবাহন আৰক্ষীৰ কেতবোৰ নীতি নিৰ্দেশনা জাৰি।

২। জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক আৰ্বিভাৱ তিথি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত দিনজোৰা কাৰ্যসূচীৰে পালন।

৩। আজি বিশ্ব Arthritis দিৱস। এই দিৱসৰ মূল বিষয়বস্তু হৈছে- *Informed Choices, Better Outcomes*।

৪। নিউজিলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া তিনিখনীয়া টেষ্ট শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় ক্ৰিকেট দল ঘোষণা।

*আৰু*

৫। ভাৰত আৰু বাংলাদেশৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত।

০০০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ আজি বিজয়া দশমী উপলক্ষে গুৱাহাটী মহানগৰ যানবাহন আৰক্ষীয়ে বাহন চলাচলৰ ক্ষেত্ৰত আজি আৰু কাইলৈ কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি আজি পুৱা ১০ বজাৰ পৰা প্ৰতিমা বিসৰ্জন সমাপ্ত নোহোৱালৈকে কেইটামান পথ সম্পূৰ্ণ ৰূপে সাধাৰণ জনতাৰ বাবে বন্ধ থাকিব। আনহাতে, প্ৰতিমা কঢ়িওৱা বাহন সমূহ গুৱাহাটী ক্লাবৰ পৰা এম চি পথ হৈ উচ্চ ন্যায়ালয়ৰ কাষেৰে লাচিত ঘাটলৈ যাব পাৰিব। আনহাতে, টকৌবাৰী, পল্টন বজাৰ, উলুবাৰী, ৰিহাবাৰী দিশৰ পৰা অহা বাহন সমূহ আৰ্য নগৰ-এ কে আজাদ পথ হৈ নেপালী মন্দিৰ গধূলি বজাৰ-পানবজাৰ হৈ লাচিত ঘাটত বিসৰ্জনৰ বাবে যাব পাৰিব। একেদৰে, গণেশগুৰি, দিছপুৰ, কাহিলিপাৰা আদি অঞ্চলৰ পৰা প্ৰতিমা বিসৰ্জনৰ বাবে যোৱা বাহন সমূহ আৰ জি বৰুৱা পথ, চানমাৰি, গুৱাহাটী ক্লাব হৈ লাচিত ঘাটলৈ যাব পাৰিব। এই সময়ছোৱাত সাধাৰণ যানবাহনৰ বাবে পথ কেইটা সম্পূৰ্ণ ৰূপে বন্ধ থাকিব।

০০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে সমগ্ৰ ৰাজ্যৰ লগতে কৰিমগঞ্জ জিলাৰ পূজা মণ্ডপো সৰ্বমংগলময়ী, সিদ্ধিদাত্ৰী মহিষ মৰ্দিনী দেৱী দুৰ্গাৰ বন্দনা আৰু পুৰোহিতৰ মন্ত্ৰোচাৰণ, ঢাক, ঢোল, শংখ, ঘণ্টা, ডবা, কাহৰ শব্দৰ মুখৰ হৈ পৰিছে।

ইপিনে বাক্সা জিলাৰ ছিকাদৌল বাথৌ মন্দিৰ প্ৰাংগণত সম্পূৰ্ণ বড়ো ৰীতি-নীতিৰে দুৰ্গা পূজা পালন কৰা হয়। দুৰ্গামাৰ প্ৰতিমাক বড়ো মহিলাসকলে পৰিধান কৰা পৰম্পৰাগত সাজ দখনা পিন্ধাই প্ৰতিমা নিৰ্মাণ কৰা হৈছে। এই সম্পৰ্কে জিলাখনৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয়–

*-বাইট-*

ইফালে, হাইলাকান্দি জিলাতো চাৰে তিনিশ খন দুৰ্গা পুজাৰ আয়োজন কৰা হয়। ইয়াৰে হাইলাকান্দি চহৰতে ৪৯ খন দুৰ্গা পূজা অনুষ্ঠিত হৈছে। ডেৰশ বছৰীয়া শিৰবাৰী দুৰ্গা পূজা, মা অন্নপূৰ্ণা দুৰ্গা পূজা আদিসমূহে ভক্তিপ্ৰাণ ৰাইজ আৰু দৰ্শকক আকৰ্ষণ কৰিছে। কাইলৈ জিলাখনৰ দেৱী প্ৰতিমাসমূহ ধলেশ্বৰী নদীত বিসৰ্জন দিয়া হ'ব।

ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্ততো ব্যাপক উৎসাহ-উদ্দীপনাৰে আদ্যশক্তি দেৱী দুৰ্গাৰ পূজা অনুষ্ঠিত হয়। জিলাখনৰ বহু পুৰণি দুৰ্গাপূজাসমূহ বিশেষকৈ হৰিসভা দুৰ্গাপূজা, গৌৰীপুৰৰ ৰজাদিনীয়া দুৰ্গা পূজাস্থলী আৰু বিলাসীপাৰাৰ মা মহামায়া দুৰ্গাপূজা আদি নীতি-নিয়ম তথা আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হয়। ধুবুৰীৰ দুৰ্গা পূজা সম্পৰ্কে জিলাখনৰ সংবাদদাতাই এইদৰে কয় ঃ

*-বাইট-*

০০০০০০০

গোৱালপাৰা জিলাৰ আন আন প্ৰান্তৰ লগতে ৰাভা বসতি প্ৰধান অঞ্চলসমূহতো উলপ-মালহেৰে দুৰ্গা পূজা অনুষ্ঠিত হৈছে। ৰাভা বসতি প্ৰধান মাকৰি সাৰ্বজনীন দুৰ্গা পূজাত দেৱীক ব্যতিক্ৰমী ৰূপত সজাই পৰাই পূজা অৰ্চনা কৰা হৈছে। দেৱী দুৰ্গাৰ লগতে আন আন দেৱ-দেৱীক ৰাভা জাতীয় সাজ-পাৰ পৰিধান কৰাই পূজা-অৰ্চনা কৰা হৈছে। পূজাৰ মাজেৰে জাতীয় সাজ-পাৰ উপস্থাপন কৰাত ভক্তিপ্ৰাণ ৰাইজৰ আকৰ্ষণ বৃদ্ধি পাইছে।

ইফালে, আজি জিলাখনৰ কিছুসংখ্যক পূজা সমিতিয়ে বৈদিক ৰীতি-নীতিৰ মাজেৰে বিসৰ্জন কাৰ্যসূচী ৰূপায়ণ কৰিব। ৰংজুলি দুৰ্গাপূজা সমিতিয়ে আজি বিয়লি দেৱী বিসৰ্জন কাৰ্যসূচী সমাপন কৰাৰ পিছতেই ৬৫ ফুট উচ্চতাৰ ৰাৱণ দাহণ কাৰ্যসূচী ৰূপায়ণ কৰিব।

০০০০০০০

বিজয়া দশমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিয়েই দেৱী দুৰ্গাক বিসৰ্জন দিব যদিও কোনো কোনো ঠাইত কাইলৈও দেৱী প্ৰতিমাসমূহ বিসৰ্জন দিয়া হ'ব। উল্লেখযোগ্য যে, এইবেলি শিৱসাগৰৰ দেৱীদ'লত ব্যাপক আয়োজনেৰে দুৰ্গা পূজা অনুষ্ঠিত কৰা হয়।। জনবিশ্বাস আৰু আস্থাৰ প্ৰতীক দেৱীদ'লৰ দুৰ্গা পূজাই যুগ যুগ ধৰি সম্প্ৰীতিৰ বাৰ্তা দি আহিছে। প্ৰতি বছৰৰ দৰে এই বছৰো পূজাৰ নৈবদ্যৰ এটা অংশ শিৱসাগৰৰ ইছলাম ধৰ্মাৱলম্বী দৌল্লা পৰিয়ালৰ লগতে কনচেং বৰপাত্ৰ গোহাঁই পৰিয়াললৈ আগবঢ়োৱা হয়। এই কাৰ্যৰ দ্বাৰা দেৱীদ'লৰ পূজাই সম্প্ৰীতি আৰু সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিছে। শিৱসাগৰ জিলাৰ আয়ুক্ত আয়ুস গাৰ্গৰ উপস্থিতিত কালি দেৱীদ'ল চৌহদত এই বিশেষ কাৰ্যসূচী সম্পন্ন হয়। উল্লেখযোগ্য যে দেৱী দৌল প্ৰতিষ্ঠাৰ কালৰ পৰাই শিৱসাগৰৰ দৌল্লা পৰিয়ালৰ পূৰ্বপুৰুষে দেৱীদ'লত ঢাক বজাই আহিছে। যাৰ বাবে তেতিয়াৰ দিনৰে পৰা দৌল্লা পৰিয়ালে দুৰ্গা পূজাৰ নৈবদ্যৰ অংশ লাভ কৰি আহিছে। পৰৱৰ্তী সময়ত দৌলত ঢাক বজোৱাৰ পৰম্পৰা নাইকিয়া হ'ল যদিও দৌল্লা পৰিয়ালে পূজাৰ ভাগ পোৱাৰ পৰম্পৰা অব্যাহত থাকিল। একেটা অনুষ্ঠানতে কনচেং বৰপাত্ৰ পৰিয়াললৈও পূজা-নৈবদ্য আগবঢ়োৱা হয়। পৰিয়ালটোৰ হৈ জিতেন বৰপাত্ৰ গোহাঁয়ে এই নৈবদ্য গ্ৰহণ কৰে।

০০০০০০০

সত্ৰ নগৰী বৰপেটাৰ লগতে সমগ্ৰ জিলাখনৰ প্ৰায় সকলো সত্ৰ-নামঘৰত আজিৰ পৰা জগৎ গুৰু শংকৰদেৱৰ ৫৭৬ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উদযাপন কৰা হৈছে। ঐতিহ্য মণ্ডিত বৰপেটা সত্ৰত আজিৰে পৰা দুদিনীয়াকৈ গুৰুজনাৰ জন্মোৎসৱ উপলক্ষে নাম প্ৰসংগ, ভাগৱত ভ্ৰমণ, ধৰ্মালোচনা সভা আদিৰ আয়োজন কৰা হৈছে। একেদৰে গুৰুজনাই জীৱনৰ সৰ্বাধিক সময় অতিবাহিত কৰা পাউবাউসীৰ শংকৰদেৱ থান, নামনি অসমত গুৰুজনাৰ আদিসত্ৰ চুণপোৰা ভিঠিথান, সুন্দৰীদিয়া সত্ৰ, গণককুছি সত্ৰ, বাৰাদী সত্ৰ, কমাৰকুছী সত্ৰ আদিত আৱিৰ্ভাৱ মহোৎসৱ আদিৰ আয়োজন কৰা হৈছে। হাউলীৰ দলগাঁৱতো দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ আজিৰে পৰা পালন কৰা হৈছে। এই কাৰ্যসূচীৰ ভিতৰত ভাগৱত পাঠ, সত্ৰীয়া গীত-মাতৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব। আনহাতে কালিৰে পৰাই বৰপেটা বৰবজাৰ যুৱক সংঘই তিনিদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰিছে। এই সন্দৰ্ভত আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এইদৰে কয় ঃ

*-বাইট-*

০০০০০০০

কোচবিহাৰৰ মধুপুৰ সত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ জয়ন্তী পুৱা ৬বজাত প্ৰভাতী কীৰ্তনেৰে শুভাৰম্ভ কৰা হয়। অসম সত্ৰ মহাসভাৰ উত্তৰ-পশ্চিম মণ্ডলৰ তৰফৰ পৰা জনোৱা অনুসৰি শ্ৰীমন্ত শংকৰদেৱ জয়ন্তী উপলক্ষে আজি ভাগৱত পাঠ, আয়তিৰ নাম পৰিবেশন, ধৰ্মালোচনী সভাৰ লগতে সন্ধিয়া বন্তি প্ৰজ্জ্বলন কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইপিনে, সত্ৰপীঠ মাজুলীত কালিৰে পৰাই গুৰুজনাৰ ৫৭৬ সংখ্যক জন্মোৎসৱ অনুষ্ঠিত হৈছে। সত্ৰ আৰু নামঘৰ সমূহৰ সমান্তৰালকৈ আঞ্চলিক ধৰ্মালোচনী সভা সমূহৰ উদ্যোগত কালিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ জয়ন্তী অনুষ্ঠিত হয়। উজনি মাজুলী শ্ৰীৰাম ভকতিদুৱাৰ আঞ্চলিক ধৰ্মালোচনী সভাৰ উদ্যোগত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মুদৈবিল বৰনামঘৰত গুৰুজনাৰ জন্মোৎসৱ অনুষ্ঠিত হয়। প্ৰথমদিনা পুৱা ঊষা কীৰ্তন, পৰিবেশ নিকাকৰণৰ পাছত গছপুলি ৰোপন কৰা হয়। ইয়াৰ পাছতে ২১গৰাকী বিশিষ্ট ব্যক্তিয়ে ২১খন ধৰ্মধবজা উত্তোলন কৰে। লগতে বন্তি প্ৰজ্জ্বলন, চিত্ৰাংকন প্ৰতিযোগিতা আৰু দিহানাম প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

ডুমডুমা আৰু ফিল'বাৰিতো আজিৰে পৰা ১৫ অক্টোবৰলৈকে তিনি দিনীয়াকৈ শ্ৰীমন্ত শংকৰ উৎসৱৰ জন্মোৎসৱৰ আয়োজন কৰা হৈছে। ডুমডুমা নামঘৰত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হ'ব। কাৰ্যসূচীৰ লগত সংগতি ৰাখি বৰগীত, সত্ৰিয়া নৃত্য, দিহা নাম আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দিহা কৰা হৈছে। ফিল'বাৰী বৰ নামঘৰতো বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ সহযোগত গুৰুজনাৰ জয়ন্তী উদযাপন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে বুলি জানিব পৰা গৈছে।

গুৱাহাটীতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ আয়োজন কৰা হৈছে। লাচিত নগৰ ৰাজহুৱা নামঘৰত আজি গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হ'ব। এই উপলক্ষে আজি পুৱা ১০ বজাত লাচিত নগৰ নামঘৰৰ পৰা ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। আনহাতে খাৰঘুলীৰ শংকৰজোতি কেন্দ্ৰই দুদিনীয়া কাৰ্যসূচীৰে কাইলৈ আৰু পৰহিলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক আৱিৰ্ভাব মহোৎসৱ পালন কৰিব। কেন্দ্ৰৰ নামঘৰ প্ৰাংগণত প্ৰাতঃ প্ৰসংগ, ভাগৱত ভ্ৰমণ আৰু ঊষা কীৰ্তন, সমূহীয়া নাম-প্ৰসংগ, দিহা নাম, বন্তি প্ৰজ্বলন আৰু সাংস্কৃতিক অনুষ্ঠানকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০০

আজি বিশ্ব Arthritis বা বাত বিষ দিৱস। বাতবিষ জনিত পেশী- কংকালৰ সমস্যা আৰু ইয়াৰ প্ৰতিৰোধ সম্পৰ্কে সজাগতা সৃষ্টি কৰাই হৈছে এই দিৱস পালনৰ মূল উদ্দশ্যে। এই বছৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে- *Informed Choices, Better Outcomes*।

আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা বতৰাত এইমছৰ বাত বিষ বিভাগৰ মুৰববী চিকিৎসক ডাঃ উমা কুমাৰে বাত বিষ উপযুক্ত চিকিৎসাৰ বাবে চিনাক্তকৰণৰ গুৰুত্ব প্ৰদান কৰিছে। সামাজিক মাধ্যমত লাভ কৰা তথ্যৰ জৰিয়তে চিকিৎসা নকৰিবলৈও তেওঁ আহ্বান জনায়। ধূপপান, মেদবহুলতাৰ লগতে চিকিৎসাৰ একাধিক বিকল্পৰ দৰে বিপদজ্জনক কাৰকসমূহৰ ওপৰতো ডাঃ কুমাৰে আলোকপাত কৰে।

০০০০০০০

নিউজিলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া তিনিখনীয়া টেষ্ট শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় ক্ৰিকেট দল ঘোষণা কৰা হৈছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বি চি চি আইৰ সম্পাদক জয় শ্বাহে কালি এখন বিজ্ঞপ্তিৰ জৰিয়তে ৰোহিত শৰ্মাই ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব বুলি ঘোষণা কৰে। বিজ্ঞপ্তি অনুসৰি আগশাৰীৰ বেগী বলাৰ যশপ্ৰীত বুমৰাহ দলৰ উপ অধিনায়ক হ'ব। যোৱাবছৰ এদিনীয়া বিশ্বকাপৰ সময়ত আঘাতপ্ৰাপ্ত মহম্মদ স্বামীক এই শৃংখলাৰ বাবে বাছনি কৰা হোৱা নাই। বেংটিংক্ৰম বাংলাদেশৰ বিৰুদ্ধে বাছনি কৰা দলৰ দৰেই ৰখা হৈছে। বিৰাট কোহলি, কে এল ৰাহুল আৰু ছৰফৰাজ খানক দলৰ অন্তৰ্ভুক্ত কৰা হৈছে। স্পিন বলাৰৰ আধিপত্য থকা দলটোত ৰবীচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল আৰু কুলদ্বীপ যাদৱক স্থান দিয়া হৈছে। শৃংখলাৰ প্ৰথমখন খেল বাংগালুৰুত অনুষ্ঠিত হ'ব। ভাৰত সম্প্ৰতি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত পইণ্ট তালিকাত শীৰ্ষত আছে। ইয়াৰ বিপৰীতে ২০২১ বৰ্ষত এই প্ৰতিযোগিতাৰ খিতাপ দখল কৰা নিউজিলেণ্ড ষষ্ঠ স্থানত আছে।  ৰোহিতা শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে এই শৃংখলাত জয় লাভ কৰি ডিচেম্বৰ-জানুৱাৰীত আৰম্ভ হ'বলগীয়া গুৰুত্বপূৰ্ণ অষ্ট্ৰেলিয়া ভ্ৰমণৰ পূৰ্বে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত দলৰ স্থান সুদৃঢ় কৰাৰ বাবে চেষ্টা চলাব।

০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাত ২-০ ফলাফলত আগবাঢ়ি থকা ভাৰতীয় দলে আজি খেলখনত জয়লাভ কৰি জয়ৰ ধাৰা অক্ষুন্ন ৰখা আৰু বাংলাদেশৰ বিৰুদ্ধে আটাইকেইখন খেলতে জয়লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰাৰ চেষ্ট চলাব। ভাৰতে দিল্লীত অনুষ্ঠিত দ্বিতীয়খন খেলত বাংলাদেশক ৮৬ ৰানৰ ব্যৱধানত পৰাস্ত কৰিছিল। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত বিজয় সাব্যস্ত কৰিছে।

০০০০০০০

যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াই যোৱানিশা ডুবাইত অনুষ্ঠিত  মহিলাৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাকিস্তানক ৯ উইকেটত পৰাস্ত কৰে। খেলখনত পাকিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আৰম্ভণিতেই শ'লঠেকত পৰে আৰু ১৯ অভাৰ আৰু ৫টা বলত মাত্ৰ ৮২ ৰানতে আটাইকেইটা উইকেট হেৰুৱাই। অষ্ট্ৰেলিয়াৰ হৈ এশ্লে গাৰ্ডনাৰে চাৰিটা উইকেট দখলৰ কৰাৰ বিপৰীতে জ'ৰ্জিয়া ৱেয়ৰহমে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই মাত্ৰ ১১ অভাৰত এটা উইকেট হেৰুৱাই

নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। অষ্ট্ৰেলিয়াৰ অধিনায়ক এলিছা হোলিয়ে ৩৭ ৰান আৰু এলিছ্ পেৰীয়ে ২২ ৰান কৰে। এশ্লে গাৰ্ডনাৰক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। পাকিস্তান দলৰ অধিনায়ক ফাটিমা ছানাই কালি খেলখনত অংশগ্ৰহণ কৰা নাছিল। দেউতাকৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত ছানা ঘৰলৈ উভতি গৈছে। ভাৰত কাইলৈ গ্ৰুপ পৰ্যায়ত নিজৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়াৰ সন্মুখীন হ'ব।

0000000

তিনিচুকীয়া জিলাৰ ক্ৰীড়া সন্থাৰ উদ্যোগ অহা ১৭ অক্টোবৰত সন্থাৰ খেলপথাৰত তৃতীয় শ্ৰেণীৰ ভলীবল ৰেফাৰী পৰীক্ষা অনুষ্ঠিত হ'ব। ইচ্ছুক পৰীক্ষাৰ্থীসকলক সেই দিনা পুৱা ৯ বজাত বয়সৰ প্ৰমাণপত্ৰ, দুখন পাছপ'ৰ্ট ফটোসহ উপস্থিত হ'বলৈ ক্ৰীড়া সন্থাই অনুৰাধ জনাইছে। ইপিনে সন্থাৰ তত্বাৱধানত বাঘজান স্পোৰ্টছ্ ক্লাবৰ উদ্যোগত বাঘজান গাঁও ৰাজহুৱা খেলপথাৰত অহা ২৭ অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ ১৫ বছৰ অনুৰ্ধৰ আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত কাকপথাৰ ফুটবল কোচিং চেণ্টাৰ, এক্স ছাৰ্ভিছমেন স্পোৰ্টছ ক্লাব (মাৰ্ঘেৰিটা), বাৰেকুৰি বাঘজান স্পোৰ্টছ্ ক্লাব, ডিমৰুহোলা ফুটবল কোচিং চেণ্টাৰ, শ্ৰীপুৰীয়া ফুটবল একাডেমী, মাকুম ফুটবল কোচিং চেণ্টাৰ, দুলীয়াজন ফুটবল কোচিং চেণ্টাৰসহ মুঠ ৮টা দলে অংশগ্ৰহণ কৰিব।

0000000

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

0000000

**সমাপ্ত**